সংযমশীলতা আৰু অসীম ধৈৰ্যই ভাৰতীয় নাৰীৰ ঐতিহ্যকে উজ্জ্বলতৰ ৰূপত প্ৰকাশ কৰিছে। অন্যান্য চৰিত্ৰৰ ভিতৰত অনিৰাম আৰু নিৰ্মলৰ মাহীয়েকৰ চৰিত্ৰৰ বিকাশত ঔপন্যাসিকে সুবিধা নল'লে। নিৰ্মলৰ মাহীয়েক শুদ্ধ চৰিত্ৰৰ আদৰ্শ ধৰ্মপ্ৰাণা মহিলা। তেওঁ নিৰ্মলৰ চৰিত্ৰ ভগৱৎমুখী কৰি পাৰ্থিৱতকৈ অপাৰ্থিৱ জ্যোতি যে ম্লান– এই পথৰ নিৰ্দেশ দিছে।[৫] অনিৰামে ৰূপহীক ভাল পাইছিল যদিও, নিৰ্মলৰ সতে তাইৰ বিয়া হোৱাত কোনো প্ৰতিক্ৰিয়া দেখুওৱা নাই। আনহাতে নিৰ্মল ঘূৰি নহা দেখি গঞাই ৰূপহীৰ সতে বিয়া পাতি দিব খোজাত সি আপত্তিও কৰা নাই। অৱশ্যে মানৰ তৃতীয় আক্ৰমণৰ সময়ত অনিৰামে ৰূপহীক ৰক্ষা কৰি উদাৰতাৰ পৰিচয় দিছে। পৰিস্থিতিৰ চাকনৈয়াত কুহিলাৰ দৰে উটি যোৱা অনিৰাম এটা টাইপ চৰিত্ৰ মাথোন।

বৰদলৈৰ উপন্যাসৰ আন এটি বৈশিষ্ট্য হৈছে অতিপ্ৰাকৃত পৰিবেশৰ চিত্ৰণ। নিৰ্মল ভকতৰ কেইবাঠাইতো অতিপ্ৰাকৃতৰ প্ৰভাৱ পৰিছে। উপন্যাসখনৰ ঘাই চৰিত্ৰ নিৰ্মল যৌগিক বলত লাভ কৰা শক্তিৰে পৰিচালিত হোৱা দেখিবলৈ পাওঁ। নিৰ্মলে তুলসীৰ ভেটিৰ কাষত বহি বহিয়েই স্বৰ্গগামী হোৱা কাৰ্য আৰু সেই সময়তে সৰগৰ পৰা দিব্যৰথ এখন নামি অহা দেখা আদি কাৰ্য ধাৰ্মিক যোগসিদ্ধ পুৰুষৰ অতিপ্ৰাকৃত কাৰ্যহে। সেইদৰে অতিপ্ৰাকৃতৰ অৱতাৰণাত দৈৱী মায়াৰ সংযোগো ঘটিছে এইখন উপন্যাসত। ৰূপহীৰ বেজাৰত নিৰ্মলে সত্ৰত ভকত হ'বলৈ আহি কুলভ্ৰষ্ট বুলি সত্ৰৰ বাহিৰতে ৰাতি যাপন কৰিবলগীয়া হয়। কাহিলি পুৱা এটা সপোনৰ অন্তত দেখা বাঘটো যেন দৈৱদৃষ্ট এটা প্ৰাণীহে; সেইবাবে সি নিৰ্মলক আক্ৰমণ কৰাৰ পৰিৱৰ্তে প্ৰণাম কৰি আঁতৰি গৈছে। সপোনত দেৱ-দেৱী প্ৰত্যক্ষ কৰাটো বৰদলৈৰ উপন্যাসৰ এটি সাধাৰণ লক্ষণ। নিৰ্মল ভকতো নিৰ্মলৰ মাহীয়েকে সপোনত দেখা দি পাৰ্থিৱ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠধামত চৰম সুখ লাভ কৰাৰ কথা সততে সোঁৱৰাই দিছে। দুৰ্গা, শ্ৰীকৃষ্ণৰ মধুৰ ছবিও নিৰ্মলে সপোনত দেখিছে। এইবোৰৰ জৰিয়তে নিৰ্মল চৰিত্ৰৰ ধৰ্মীয় দিশটো পৰিপুষ্ট কৰি পাঠকৰ মনত ধৰ্মীয় ভাৱ জাগ্ৰত কৰাৰ লগতে ৰোমান্স ৰসৰো উদ্ৰেক কৰা হৈছে।

বৰদলৈ আছিল এজন ধৰ্মপ্ৰাণ ব্যক্তি। দামোদৰপন্থী লোক হিচাপে তেওঁৰ ধৰ্মীয় পৰিচয় আছিল বৈষ্ণৱপন্থী লোক বুলি। বৈষ্ণৱ গুৰুসকলক তেওঁ ঈশ্বৰৰ অৱতাৰ জ্ঞান কৰিছিল আৰু সকলোকে সমমৰ্যাদা দিছিল। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ– এই চাৰিজনা বৈষ্ণৱ গুৰুৰ কথা তেওঁৰ উপন্যাসত বৰ্ণিত হৈছে। বয়স বাঢ়ি যোৱাৰ লগে লগে বৰদলৈৰ ধৰ্মৰ প্ৰতি আকৰ্ষণ বাঢ়ি গৈছিল আৰু সেই কাৰণেই বোধকৰো তেওঁৰ নিৰ্মল ভকতৰ পৰা আৰম্ভ কৰি শেহতীয়া উপন্যাসকেইখনত ধৰ্মৰ প্ৰভাৱ বেছি।[৬] মিৰি-জীয়ৰীৰ বাহিৰে বাকী আটাইকেইখন উপন্যাসতে কম-বেছি পৰিমাণে ধৰ্মৰ প্ৰভাৱ পৰিছে।

বৰদলৈৰ এইখন উপন্যাসত লেখকৰ জীৱন-দৰ্শন স্পষ্টৰূপত পৰিস্ফুট হৈছে। উপন্যাসখনৰ ছত্রে ছত্রে ধৰ্মীয় প্রভাৱ বিৰাজমান। বিশেষকৈ শেহৰ তিনিটা অধ্যায়, অর্থাৎ ২৩/২৪/২৫ অধ্যায়ত ঔপন্যাসিকে কাহিনী কলাৰ প্রতি পিঠি দি কেৱল ধৰ্মীয় তত্ত্বকথাৰ বিশদ আলোচনাত নিমগ্ন হৈছে। এইকেইটা অধ্যায়ে উপন্যাসখনৰ সৌন্দৰ্য লাঘৱ কৰিছে যদিও, কেৱল ধৰ্মৰ প্রতি থকা আকর্ষণৰ বাবেই তেওঁ অধ্যায়কেইটা সংযোগ কৰিছে। উপন্যাসখনত শৈশৱৰ খেল-ধেমালি, ৰং-তামাচাৰ মাজেৰে ডাঙৰ-দীঘল হোৱা, যৌৱনত ৰূপহীৰ সতে সাংসাৰিক জীৱন আৰম্ভ কৰা আৰু পিছত সংসাৰ ত্যাগ কৰি নিৰ্মল ভকত হোৱা, অর্থাৎ ধৰ্মীয় দিশত নিমজ্জিত হোৱা দেখিবলৈ পাওঁ। **মনোমতী** উপন্যাসত উল্লেখ কৰামতে বৰপেটাত থকা কালছোৱাত বৰদলৈৰ ধৰ্ম-জীৱন আৰম্ভ হৈছিল। সেই বৈষ্ণৱ ধৰ্মৰ প্রভাৱ আলোচ্য উপন্যাসখনতো বাৰুকৈয়ে পৰিছে। নিৰ্মলে ৰূপহী আৰু অনিৰামক নিজৰ পৰিচয় প্রদান নকৰি আত্মত্যাগৰ নিদর্শন দেখুৱাইছে। নিৰ্মলৰ ভাষাত,– "..... কৃষ্ণনাম মহাধনে জীয়াই থকা দিনকেইটাত সংসাৰৰ সুখ দৈবাৎ নিদিলেও মৰণ কালত তৰাব, ইয়াকে মনত সাৰোগত কৰিলোঁ। ভাবিলোঁ যি ছদ্ম উদাসীন বেশেৰে ৰূপহীক ধৰা নিদিলোঁ সেই বেশক লৈ সংসাৰক ধৰা নিদিয়াই ভাল" (পৃঃ ৩৩)। সেয়েহে তেওঁ দক্ষিণপাট সত্রত উদাসীন ভকত হৈ মালা-মন্ত্র গ্রহণ কৰে। সাংসাৰিক মায়া-মোহ ত্যাগ কৰি ধৰ্মৰ গূঢ় তত্ত্ববোৰ তেওঁ আয়ত্ত কৰিবলৈ ধৰে। নিৰ্মল আতৈ আৰু ডাঙৰীয়াৰ আলোচনাৰ জৰিয়তে ধৰ্মতত্ত্বৰ অনেক কথা, বিশেষকৈ বৈষ্ণৱ ধৰ্মৰ কথা ফঁহিয়াই আলোচনা কৰা হৈছে। স্বৰ্গগামী নিৰ্মলে 'ধৰ্মাত্মা মহাপুৰুষ' আখ্যা পালে। উপন্যাসখনৰ পৰিপুষ্টি সাধনত প্রায়চিত্ত, শৰণ-ভজন, গুৰুসেৱা আদি আলোচনাবোৰে কোনো সহায় কৰা নাই; কাৰণ এইবোৰ কথাই কাহিনীৰ অন্তৰংগ ৰূপ পৰিগ্রহ কৰিবলৈ সক্ষম হোৱা নাই। বৰদলৈৰ এইখন উপন্যাসৰ মাজে মাজে সংযোজিত গীত পদবোৰেও বৈষ্ণৱ ধৰ্মৰ প্রভাৱৰ কথাকে সূচায়। উপন্যাসখনৰ শেষাংশত অতিমাত্রা ধৰ্মীয় আলোচনাই পাঠকক ভাবিবলৈ সুযোগ দিয়ে যে বৰদলৈয়ে ইয়াত বৈষ্ণৱ ধৰ্মৰ প্রচাৰহে চলাইছে। বৈষ্ণৱ ধৰ্মৰ প্রতি থকা গভীৰ অনুৰাগে বৰদলৈক এনেদৰে সাহিত্যৰ মাজত ধৰ্মক টানিবলৈ প্রেৰণা দিছিল। অৱশ্যে ই যে সকলো পাঠকৰ ৰুচিৰ অনুকূল হোৱা নাই, সি ধ্রুৰূপ।

জোনাকী যুগৰ ঔপন্যাসিক বৰদলৈৰ উপন্যাসত প্রাচ্য-পাশ্চাত্যৰ অনেক লেখকৰ প্রভাৱ অনুভূত হয়। বৰদলৈয়ে মুকলিভাৱে ঘোষণা কৰিছিল, তেওঁ ওৱাল্টাৰ স্কটৰ দ্বাৰা অনুপ্রাণিত হৈছিল আৰু বংগৰ বংকিমচন্দ্র চট্টোপাধ্যায়ৰ আদর্শ আগত লৈ উপন্যাস ৰচনাত হাত দছিল। অৱশ্যে আমাৰ আলোচ্য উপন্যাস **নিৰ্মল ভকতত** স্কট বা বংকিমচন্দ্রৰ প্রভাৱৰ পৰিৱৰ্তে চাৰ্লচ ডিকেন্স বা টেনিচনৰ প্রভাৱহে